# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ চলি আছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ উপৰি অন্যান্য ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আজাৰা-ধাৰাপুৰ, গৰল আৰু নগাঁৰত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমক দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰোৱাৰ বাবে এন ডি এ চৰকাৰে চলাই অহা প্ৰয়াসৰ বিষয়ে উল্লেখ কৰে। নগাঁৰত আয়োজিত প্ৰচাৰ সভাত মন্ত্ৰী কেশৱ মহন্তৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি জাগীৰোড সমষ্টিৰ ঔজাৰিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে ভালসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। দলৰ সভাপতিগৰাকীয়ে আজি মন্ত্ৰী হাজৰিকাৰ সৈতে মায়ং আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত আন এখন নিৰ্বাচনী সভাত অংশ লয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দক্ষিণ কামৰূপৰ ৰঙামাটিত প্ৰচাৰ চলায়। আবেলি তেওঁ বিলাসীপাৰাৰ শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰচাৰ সভাত অংশ ল'ব।

কংগ্ৰেছ দলৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈ, ৰিপুন বৰা, সাংসদ গৌৰৱ গগৈ, ৰকিবুল হুছেইন, দলৰ নেত্ৰী মীৰা বৰঠাকুৰকে ধৰি নেতাসকলে প্ৰচাৰ চলাই আছে। একেদৰে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও প্ৰচাৰ অব্যাহত ৰাখিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈয়ে আজি নলবাৰীৰ পশ্চিম বৰভাগ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি হৈ যোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৪৩টা ভোটকেন্দ্ৰত কাইলৈ পুনৰ ভোটগ্ৰহণ কৰা হ'ব। সেই অনুসৰি হাইলাকান্দি জিলাৰ ৩১টা, শ্ৰীভূমিত ৮টা, গোলাঘাট আৰু মাজুলীত এটাকৈ ভোটকেন্দ্ৰত কাইলৈ পুৱা চাৰে ৭ বজাত বজাৰ বিয়লি চাৰে ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালিৰ নিৰ্বাচনত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়।

০০০০০

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাই আছে। হাটশিঙিমাৰী জিলা প্ৰশাসনে জিলাখনৰ মুঠ ৪০৬টা ভোট কেন্দ্ৰৰ বাবে তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ হিচাপে ৪৪৮ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰশিক্ষণ প্ৰদান সম্পূৰ্ণ কৰে। কালি আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণৰ আজি অন্ত পৰে। অহা ৬ মে'ত ভোটগ্ৰহণকাৰী বিষয়াসকলে ভোটগ্ৰহণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ লৈ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হ'ব।

হোজাই জিলা প্ৰশাসনে জিলা সদৰত হোজাই আৰু বিন্নাকান্দি সমষ্টিৰ বাবে, আৰু লামডিং সমজিলাৰ কাৰ্যালয়ত লামডিং সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ যাৱতীয় কাম-কাজৰ প্ৰস্তুতি চলাইছে। জিলাখনত মুঠ ৭৭৪টা ভোটকেন্দ্ৰ আছে। তাৰে ৩৫টা ভোটকেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে। জিলাখনত ১০টা আদৰ্শ ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যোৱা ৩০ এপ্ৰিলত হাতী ছাফাৰী বন্ধ হোৱাৰ পাছত সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই অহা ১৫ মে'ত জীপ ছাফাৰীও সামৰণি পৰাৰ সম্ভাৱনা ব্যক্ত কৰে। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বন্ধ হ'লেও পানবাৰী সংৰক্ষিত বনাঞ্চল, বিশ্বনাথৰ পানপুৰ, লাওখোৱা বুঢ়াচাপৰি বনাঞ্চল কিছু দিনৰ বাবে পৰ্যটকৰ বাবে খোলা থাকিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে এই কথা প্ৰকাশ কৰাৰ লগতে চলিত পৰ্যটন বৰ্ষৰ মাৰ্চলৈকে ৪ লাখ ২০ হাজাৰ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে বুলি জনায়। এইবাৰ প্ৰায় ১৪ হাজাৰ বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এই সংখ্যা পূৰ্বৰ বছৰসমূহত বিদেশী পৰ্যটকৰ সংখ্যাৰ দুগুণ। সঞ্চালকগৰাকীয়ে জনোৱা অনুসৰি বৰ্তমান বৰষুণৰ বাবে ৰাষ্ট্ৰীয় উদ্যান ভিতৰৰ পথসমূহ বোকাময় হৈ পৰাৰ বাবে ১৫ মে'ত জীপ ছাফাৰী বন্ধ কৰা হ'ব বুলি ঘোষণা কৰিলেও বতৰ ভাল হ'লে সিদ্ধান্ত সলনি হ'ব পাৰে। একে সময়তে সমাগত বাৰিষাত হ'ব পৰা বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ উদ্যান কৰ্তৃপক্ষ সাজু হোৱা বুলি সঞ্চালকগৰাকীয়ে জনায়।

০০০০০

পৱিত্ৰ হজৰ বাবে ৰাজ্যৰ ৩১৯ জনীয়া প্ৰথমটো দল আজি মদিনালৈ ৰাওনা হৈছে। আজি পুৱা বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আয়োজিত এটা অনুষ্ঠানত অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ যুটীয়া ৰাজ্যিক হজ কমিটিৰ অধ্যক্ষ নেকিবুৰ জামানে পতাকা জোকাৰি হজ যাত্ৰাৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, ৩২১ জনীয়া দলটোৰ দুগৰাকী বিশেষ অসুবিধাৰ বাবে এই যাত্ৰাৰ পৰা বিৰত থাকে। অধ্যক্ষ নেকিবুৰ জামানে জনাই যে, আজিৰ পৰা ৮ মে'লৈ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা মুঠ দুহেজাৰ ৭৮২ গৰাকী হজ যাত্ৰী মক্কা আৰু মদিনালৈ ৰাওনা হ'ব। ইয়াৰ ভিতৰত পুৰুষ হজ যাত্ৰীৰ সংখ্যা এহেজাৰ ৯২৭ জন আৰু মহিলা হজ যাত্ৰীৰ সংখ্যা ৮৪৪ গৰাকী। প্ৰতিদিনে একোখন বিমানত ৩২১ গৰাকীকৈ যাত্ৰীয়ে মক্কা আৰু মদিন অভিমুখে ৰাওনা হ'ব।

০০০০০

সমাপ্ত